**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-06 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰাণসীত দেশৰ প্ৰায় ৯ কোটি ২৬ লাখ কৃষকলৈ পি এম কিষাণ আঁচনিৰ ১৭ সংখ্যক কিস্তিৰ ধনৰাশি আনুষ্ঠানিকভাৱে মোকলাই দিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, মণিপুৰৰ জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

৩। কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি মধ্যপ্ৰদেশৰ বুধনী সমষ্টিৰ বিধায়ক পদ ত্যাগ কৰিছে।

৪। পশ্চিমবংগ পৰিবহণ বিভাগে দুৰ্ঘটনাগ্ৰস্ত আগৰতলা-শিয়ালদহ কাঞ্চনজংঘা এক্সপ্ৰেছৰ যাত্ৰীসকলৰ বাবে বিশেষ বাছ সেৱাৰ ব্যৱস্থা কৰিছে।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি সন্ধিয়া ত্ৰিনিদাদৰ ব্ৰায়েন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নিউজিলেণ্ডে পাপুৱা নিউ গিনিক ৭ উইকেটত পৰাজিত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ সংসদীয় সমষ্টি বাৰাণসী ভ্ৰমণ কৰিব। তাত তেওঁ দেশৰ প্ৰায় ৯ কোটি ২৬ লাখ কৃষকলৈ পি এম কিষাণ আঁচনিৰ ১৭ সংখ্যক কিস্তিৰ ২০ হাজাৰ কোটি টকাতকৈও অধিক ধনৰাশি আনুষ্ঠানিকভাৱে মোকলাই দিব। তৃতীয়বাৰৰ বাবে জনসাধাৰণৰ অন্তৰ জয় কৰা প্ৰধানমন্ত্ৰী মোদীক আদৰিবলৈ সমগ্ৰ কাশী চহৰখনে আগ্ৰহেৰে বাট চাই আছে। দেশৰ প্ৰধানমন্ত্ৰী হিচাপে একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে শপতগ্ৰহণ কৰাৰ পাছত এয়া হ'ব শ্ৰীমোদীৰ প্ৰথমটো বাৰাণসী ভ্ৰমণ। আজি সন্ধিয়া কাশীত উপস্থিত হোৱাৰ পাছত তেওঁ বাৰাণসীৰ মেহন্দিগঞ্জত আয়োজিত পি এম কিষাণ সন্মান সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে কিছু সংখ্যক কৃষকক সাক্ষাৎ কৰি তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বিষয়ে পৰ্যালোচনা কৰাৰ কথা আছে। তৃতীয়টো কাৰ্যকালৰ আৰম্ভণিতে তেওঁ স্বাক্ষৰ কৰা প্ৰথমটো ফাইলৰ জৰিয়তে পি এম কিষাণ নিধিৰ সপ্তদশ কিস্তি মোকলাই দিয়াটোৱে কৃষকসকলৰ কল্যাণৰ বাবে চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰিছে আৰু প্ৰধানমন্ত্ৰী হিচাপে এইবাৰৰ প্ৰথমখন বৃহৎ জনসভাত কৃষকসকলৰ বিষয়সমূহৰ ওপৰতেই বিশেষভাৱে আলোকপাত কৰা হৈছে। আজিৰ এই কাৰ্যসূচীতেই প্ৰধানমন্ত্ৰীয়ে বিভিন্ন আত্মসহায়ক গোটৰ ৩০ হাজাৰৰো অধিক মহিলাক কৃষি সখী হিচাপে প্ৰমাণপত্ৰ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰীয়ে দশশ্বমেধ ঘাটত গংগা আৰতিত ভাগ লোৱাৰো কথা আছে। ইয়াৰ পাছত তেওঁ কাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব। আজি নিশাটো তেওঁৰ সংসদীয় সমষ্টিতে কটাই প্ৰধানমন্ত্ৰী কাইলৈ পুৱা তাৰ পৰা ৰাওনা হ'ব।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, মণিপুৰৰ সকলো জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। নতুন দিল্লীত কালি মণিপুৰৰ নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনা কৰাৰ বাবে আয়োজন এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰি শ্ৰীশ্বাহে কয় যে, গৃহ মন্ত্ৰালয়ে ৰাজ্যখনৰ জাতিগত বিভেদ দূৰ কৰাৰ উদ্দেশ্যে মেইতে আৰু কুকী- দুয়োটা গোটৰ সৈতে শীঘ্ৰেই আলোচনা কৰিব। তেওঁ মণিপুৰত শান্তি শৃংখলা পুনৰ ঘূৰাই অনাৰ বাবে কেন্দ্ৰীয় বাহিনীৰ কৌশলগত নিয়োগত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰয়োজন সাপেক্ষে ৰাজ্যখনত অধিক বাহিনী নিয়োগ কৰা হ'ব। শ্ৰীশ্বাহে ৰাজ্যখনত হিংসাত্মক কাৰ্যত উচতনি যোগোৱা লোকসকলৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ কয় যে, ৰাজ্যখনৰ নিৰাপত্তা পৰিস্থিতি শক্তিশালী কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে মণিপুৰ চৰকাৰক সক্ৰিয়ভাৱে সমৰ্থন আগবঢ়াই আহিছে।

গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ আশ্ৰয় শিবিৰসমূহৰ পৰিস্থিতি বিশেষকৈ খাদ্য, পানী, ঔষধ আৰু অন্যান্য মৌলিক প্ৰয়োজনীয় সা-সুবিধাসমূহৰ উপলভ্যতাৰ বিষয়েও পৰ্যালোচনা কৰে। শ্ৰীশ্বাহে স্থানান্তৰিত লোকসকলৰ বাবে উপযুক্ত স্বাস্থ্য আৰু শিক্ষাৰ সুবিধাৰ লগতে তেওঁলোকৰ পুনৰ সংস্থাপন সুনিশ্চিত কৰিবলৈ মণিপুৰৰ মুখ্য সচিবক নিৰ্দেশ দিয়ে।

কালিৰ বৈঠকত কেন্দ্ৰীয় গৃহ সচিব অজয় ভাল্লা, ইণ্টেলিজেন্স ব্যুৰ'ৰ মুৰব্বী তপন ডেকা, স্থলসেনাৰ মুৰব্বী মনোজ পাণ্ডে, মণিপুৰৰ আৰক্ষী সঞ্চালক প্ৰধান ৰাজীৱ সিং আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলেও অংশগ্ৰহণ কৰে।

00000

কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি মধ্যপ্ৰদেশৰ বুধনী সমষ্টিৰ বিধায়ক পদ ত্যাগ কৰিছে। বিধানসভাৰ অধ্যক্ষৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰি শ্ৰীচৌহানে কয় যে, কেইবা দশক পূৰ্বে বুধনীৰ পৰাই তেওঁ ৰাজনৈতিক জীৱন আৰম্ভ কৰিছিল আৰু সদায় ইয়াৰ জনসাধাৰণক তেওঁ সেৱা আগবঢ়াই যাব। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কয় যে, ৬ বাৰ বিধানসভালৈ নিৰ্বাচিত হোৱা বুধনী সমষ্টিৰ বিধায়ক পদ ত্যাগ কৰাটো তেওঁৰ বাবে এটা অতি আৱেগিক মুহূৰ্ত।

উল্লেখযোগ্য যে সদ্য সমাপ্ত লোকসভা নিৰ্বাচনত শিৱৰাজ সিং চৌহানে ৮ লাখ ২১ হাজাৰতকৈ অধিক ভোটৰ ব্যৱধানত বিদিশা সংসদীয় সমষ্টিৰ পৰা জয়লাভ কৰে।

00000

দুৰ্ঘটনাগ্ৰস্ত আগৰতলা-শিয়ালদাহ কাঞ্চনজংঘা এক্সপ্ৰেছৰ যাত্ৰীসকলক গন্তব্যস্থানলৈ লৈ যোৱাৰ বাবে পশ্চিম বংগৰ পৰিবহণ বিভাগে বিশেষ বাছ সেৱাৰ ব্যৱস্থা কৰিছে। শিয়ালদাহ ষ্টেচনত ইতিমধ্যে যাত্ৰীসকলৰ এটা শিবিৰ স্থাপন কৰা হৈছে। পশ্চিম বংগৰ পৰিবহণ মন্ত্ৰী স্নেহাশিষ চক্ৰৱৰ্তী, কলকাতাৰ মেয়ৰ ফিৰহাদ হাকিম আৰু পৰিবহণ সচিব সৌমিত্ৰ মোহন এই শিবিৰ পৰিচালনাৰ দায়িত্বত আছে।

উল্লেখযোগ্য যে পশ্চিমবংগৰ ৰঙাপানী ষ্টেচনত কালি পুৱা সংঘটিত ৰে'ল দুৰ্ঘটনাত ৰে'ল কৰ্মচাৰীসহ ৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাগৰাকীও লোক আহত হয়। নিউ জলপাইগুৰিৰ ৰে'ল ষ্টেচনৰ সমীপত শিয়ালদহলৈ গৈ থকা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত হোৱা সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা অনুসৰি মালবাহী ৰে'লখন ছিগনেল পোৱাৰ আগেয়ে ৰাওনা হয় আৰু কাঞ্চনজংঘা এক্সপ্ৰেছৰ পাছফালে খুন্দা মাৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ ঠিক পাছতেই আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দেশৰ উত্তৰ অংশত প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা আগলি বতৰা অনুসৰি উত্তৰ প্ৰদেশ, পাঞ্জাব, হাৰিয়ানা, চণ্ডীগড়, দিল্লী, হিমাচল প্ৰদেশ, বিহাৰ, উত্তৰাখণ্ড আৰু ঝাৰখণ্ডত গ্ৰীষ্ম প্ৰৱাহ অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে জম্মু-কাশ্মীৰ, উত্তৰ মধ্যপ্ৰদেশ আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চল, ৰাজস্থান আৰু বিদৰ্ভতো গ্ৰীষ্ম প্ৰৱাহ অব্যাহত থাকিব বুলি বিভাগে প্ৰকাশ কৰিছে।

আনহাতে অসম আৰু মেঘালয়ত অহা ৩ দিনত ধাৰাষাৰৰ পৰা প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। ইয়াৰ লগতে অসমৰ কোনো কোনো অঞ্চল, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ অঞ্চল বিশেষে অহা ৫ দিনত মজলীয়া বৰষুণ হ'ব পাৰে বুলিও বিভাগে লগতে প্ৰকাশ কৰিছে।

ooooo

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি সন্ধিয়া ত্ৰিনিদাদৰ ব্ৰায়েন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নিউজিলেণ্ডে পাপুৱা নিউ গিনিক ৭ উইকেটত পৰাজিত কৰে। খেলখনত নিউজিলেণ্ডে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈ পাপুৱা নিউ গিনিক ১৯ অভাৰ আৰু ৪টা বলত ৭৮ ৰানতেই সীমিত কৰে। নিউজিলেণ্ডৰ হৈ ল'কি ফাৰ্গুছনে নিজৰ ৪টাকৈ অভাৰত এটাও ৰান নিদি ৩টা উইকেট দখল কৰে। এই সাফল্যৰ জৰিয়তে ফাৰ্গুছন টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৪টা অভাৰত এটাও ৰান নিদিয়া দ্বিতীয়গৰাকী বলাৰ হিচাপে বিবেচিত হয়। দলৰ হৈ ইশ্ব ছোধি, টিম ছাউদি আৰু ট্ৰেণ্ট ব'ল্টে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে মিছেল ছাণ্টনাৰে এটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে মাত্ৰ ১২ অভাৰ আৰু দুটা বলতেই ৭৯ ৰানৰ বিজয় লক্ষ্য অতিক্ৰম কৰে। দলৰ হৈ ডেভন কনৱেই ৩২টা বলত সৰ্বাধিক ৩৫ ৰান কৰে। পাপুৱা নিউ গিনিৰ হৈ কাবুৱা মৰিয়াই মাত্ৰ ২ অভাৰ আৰু ২টা বলত ৪ ৰান দি দুটা উইকেট দখল কৰে। ফাৰ্গুছনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি ছেণ্ট লুছিয়াৰ ডেৰেন ছান্মি নেচনেল ক্ৰিকেট ষ্টেডিয়ামত ৱেষ্ট ইণ্ডিজে আফগানিস্তানৰ বিৰুদ্ধে খেলি আছে। খেলখনত আফগানিস্তানে টছ্‌ত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৱেষ্ট ইণ্ডিজে ১৩ অভাৰত ৩টা উইকেট হেৰুৱাই ১৪১ ৰান কৰি খেলি আছে।

০০০০০

ইউ ই এফ এ ইউৰোপীয়ান ফুটবল চেম্পিয়নশ্বিপত শ্লোভাকিয়াই ইতিহাস ৰচিছে। জাৰ্মানীৰ ফ্ৰেংকফৰ্টত কালি গ্ৰুপ ই-ৰ এখন খেলত শ্লোভাকিয়াই বেলজিয়ামক ১-০ গলৰ ব্যৱধানত ফলাফলত পৰাস্ত কৰে। খেলখনৰ সাত মিনিটত ইভান স্ক্ৰাঞ্জৰ একমাত্ৰ গলৰ সহায়ত বিশ্বৰ ৪৮ সংখ্যক স্থানৰ দল শ্লোভাকিয়াই তৃতীয় স্থানৰ বেলজিয়াম দলৰ পৰা তিনি পইণ্ট লাভ কৰে।

মিউনিখত অনুষ্ঠিত গ্ৰুপ ই-ৰ আন এখন খেলত ৰোমানিয়াই ইউক্ৰেইনক ৩-০ গলৰ ব্যৱধানত পৰাজিত কৰে। খেলখনৰ প্ৰথমাৰ্ধত নিকোলা ষ্টেনচিউৱে ৰোমানিয়াক আগুৱাই লৈ যায় আৰু দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে ৰিজভান মেৰিন আৰু ডেনিছ মিহাই ড্ৰাগুৱে দুটাকৈ কুইকফায়াৰ গ'ল দিয়ে।

ইউৰোপীয় চেম্পিয়নশ্বিপত ৰোমানিয়াৰ এইটো হৈছে দ্বিতীয় তথা ২৪ বছৰৰ ভিতৰত প্ৰথম জয়।

আনহাতে গ্ৰুপ ডি-ত ফ্ৰান্সে ডাচেলডৰ্ফত অষ্ট্ৰিয়াৰ বিৰুদ্ধে ১-০ ফলাফলৰ জয়ৰে অভিযান আৰম্ভ কৰে।

প্ৰতিযোগিতাত আজি গ্ৰুপ বি-ৰ এখন খেলত ক্ৰ'ৱেচিয়াই আলবেনিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে আয়োজক দেশ জাৰ্মানী গ্ৰুপ এ-ৰ এখন খেলত হাংগেৰীৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত